জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৩৬৪/২০২১

# যোৰহাটত দুষ্কৃতিৰ দ্বাৰা সংঘটিত কৰা অবাঞ্ছিত ঘটনাত অনিমেষ ভূএঞা নামৰ যুৱক এজনৰ মৃত্যুত মুখ্যমন্ত্ৰীৰ গভীৰ শোকপ্ৰকাশ

## ঘটনাত জড়িত দোষীসকলৰ বিৰুদ্ধে ফাষ্টট্ৰেক আদালতৰ জৰিয়তে শাস্তি প্ৰদানৰ নিৰ্দেশ মুখ্যমন্ত্ৰীৰ

## এমাহৰ ভিতৰতে চাৰ্জশ্বিট দাখিলৰ নিৰ্দেশ মুখ্যমন্ত্ৰীৰ

## বিশেষ আৰক্ষী সঞ্চালক প্ৰধান জি পি সিঙক এই ঘটনাৰ তদন্ত প্ৰক্ৰিয়া তদাৰক কৰাৰ নিৰ্দেশ মুখ্যমন্ত্ৰীৰ

**দিছপুৰ, ৩০ নৱেম্বৰ ঃ** যোৰহাটত কালি দুষ্কৃতিকাৰীৰ দ্বাৰা সংঘটিত কৰা এক অবাঞ্ছিত তথা শোকাৱহ ঘটনাত অনিমেষ ভূএঞা নামৰ এজন যুৱকৰ মৃত্যু হোৱা ঘটনাত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গভীৰ শোকপ্ৰকাশ কৰিছে।

আজি এক বিবৃতিৰ জৰিয়তে মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে এই ঘটনা অত্যন্ত দুৰ্ভাগ্যজনক আৰু গৰিহণাৰ যোগ্য। এনেধৰণৰ অমানবীয় ঘটনা ৰাজ্য চৰকাৰে কেতিয়াও সহ্য নকৰে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই এই ঘটনাত জড়িত দোষীসকলৰ বিৰুদ্ধে ফাষ্টট্ৰেক আদালতৰ জৰিয়তে বিচাৰ চলাই শাস্তি প্ৰদানৰ পদক্ষেপ ল'বলৈ প্ৰশাসনক নিৰ্দেশ দিছে। আনহাতে, মুখ্যমন্ত্ৰীৰ নিৰ্দেশমৰ্মে ৰাজ্য চৰকাৰৰ মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে ইতিমধ্যে দুৰ্ভগীয়া পৰিয়ালটোক সাক্ষাৎ কৰি অসমবাসীৰ হৈ গভীৰ শোক প্ৰকাশ কৰাৰ লগতে গভীৰ সমবেদনা জ্ঞাপন কৰিছে। মুখ্যমন্ত্ৰীয়ে এমাহৰ ভিতৰতে দোষীসকলৰ বিৰুদ্ধে চাৰ্জশ্বিট দাখিলৰ বাবে অসম আৰক্ষীক নিৰ্দেশ দিয়াৰ লগতে বিশেষ আৰক্ষী সঞ্চালকপ্ৰধান জি পি সিঙক এই ঘটনাৰ তদন্ত প্ৰক্ৰিয়া ব্যক্তিগতভাৱে তদাৰক কৰাৰো নিৰ্দেশ দিছে। এই ঘটনাত নিহত হোৱা অনিমেষ ভূএঞাৰ পৰিয়ালক ৰাজ্য চৰকাৰৰ তৰফৰ পৰা অত্যন্ত বিনম্ৰতাৰে ৫ লাখ টকাৰ এখন চেক প্ৰদানৰ বাবেও মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ প্ৰদান কৰিছে।

**বঃভাঃ**
**৩০-১১-২০২১**